# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 02-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০০০

১। জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তী উপলক্ষে আজি দেশবাসীয়ে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঝাৰখণ্ডৰ হাজাৰিবাগত ৮৩ হাজাৰ ৩০০ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু মুকলি কৰে।

৩। কম্বোদিয়াত ভুৱা এজেণ্টৰ জৰিয়তে লাভ কৰা প্ৰৱঞ্চনামূলক চাইবাৰ অপৰাধৰ দ্বাৰা চাকৰিৰ প্ৰস্তাৱত আবদ্ধ হৈ থকা ৬৭ জন ভাৰতীয় নাগৰিকক উদ্ধাৰ কৰা হৈছে।

৪। দিল্লী আৰক্ষীয়ে আজি নতুন দিল্লীত এটা আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ চিণ্ডিকেট উৎখাত কৰি প্ৰায় ২ হাজাৰ কোটি টকা মূল্যৰ ৫০০ কিলোগ্ৰামৰো অধিক কোকেইন জব্দ কৰে। *আৰু*

৫। সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ শ্বাৰজাহত কাইলৈ আই চি চি মহিলাৰ টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হ'ব।

০০০

জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তী উপলক্ষে আজি দেশবাসীয়ে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। নতুন দিল্লীৰ ৰাজঘাটৰ বাপুৰ সমাধিস্থলীত আজি এখন সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভা অধ্যক্ষ ওম বিৰলা, বহুকেইজন কেন্দ্ৰীয় মন্ত্ৰীৰ লগতে লোকসভা দলৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে মহাত্মা গান্ধীলৈ শ্ৰদ্ধা নিবেদন কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক মহাত্মা গান্ধীৰ সপোনৰ ভাৰতৰ ধাৰণাৰে সত্য, অহিংসা, প্ৰেম আৰু বিশুদ্ধতাৰ মূল্যবোধক গ্ৰহণ কৰাৰ সংকল্প ল'বলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গান্ধী জয়ন্তী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাই সত্য আৰু সমতাৰ ভিত্তিত আধাৰিত মহামানৱগৰাকীৰ জীৱন আৰু আদৰ্শই দেশবাসীক সদায় অনুপ্ৰেৰণা যোগাব বুলি উল্লেখ কৰে।

আনহাতে, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী আৰু ৰাজনৈতিক দলে গান্ধী জয়ন্তী উপলক্ষে নতুন দিল্লীৰ বিভিন্ন অঞ্চলত স্বচ্ছতা অভিযানত অংশগ্ৰহণ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিজেপিৰ ৰাষ্ট্ৰীয় অধ্যক্ষ তথা কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই কয় যে, স্বচ্ছতাৰ হকে মহাত্মা গান্ধীয়ে দেখা সপোনক কেন্দ্ৰীয় চৰকাৰে জন আন্দোলনলৈ ৰূপান্তৰিত কৰিছে।

ইপিনে, কেন্দ্ৰীয় মীন আৰু পশুপালন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে কৃষি ভৱনত শ্ৰমদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে। আনহাতে, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে নতুন দিল্লীৰ নেহৰু পাৰ্কত স্বচ্ছতা হি সেৱা প্ৰচাৰ কাৰ্যসূচীত যোগদান কৰে।

আনহাতে, ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ ১২০ সংখ্যক জয়ন্তী উপলক্ষে আজি দেশবাসীয়ে তেওঁক স্মৰণ কৰে। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীৰ লগতে শাসক বিৰোধীৰ বহুকেইজন নেতা-মন্ত্ৰীও দিল্লীৰ বিজয় ঘাটৰ নেতাগৰাকীৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ০০০

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঝাৰখণ্ডৰ হাজাৰিবাগত ৮৩ হাজাৰ ৩০০ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু মুকলি কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত **ধৰতী আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযান** আছে যাৰ মুঠ ব্যয় হৈছে ৭৯ হাজাৰ ১৫০ কোটি টকা। ইয়াৰ লগতে প্ৰধানমন্ত্ৰী জনজাতি আদিৱাসী নয়া মহা অভিযানৰ অন্তৰ্গত বিভিন্ন প্ৰকল্পও আছে। প্ৰধানমন্ত্ৰীয়ে ৪০ খন একলব্য বিদ্যালয় মুকলি কৰাৰ লগতে ২৫ খন একলব্য বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে।

হাজাৰিবাগৰ বিনোৱা ভাৱে বিশ্ববিদ্যালয় প্ৰাঙ্গনত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, এই প্ৰকল্পসমূহে আদিবাসী সম্প্ৰদায়ৰ লগতে সমগ্ৰ ৰাজ্যখনৰে সৱলীকৰণ কৰিবলৈ আৰু ৰাজ্যখনত গ্ৰাম্য আন্তঃগাঠনি বৃদ্ধি কৰিবলৈ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিব। শ্ৰীমোদীয়ে কয় যে দেশৰ আদিৱাসী সম্প্ৰদায়ৰ উন্নয়ন আৰু সৱলীকৰণ অবিহনে বিকশিত ভাৰতৰ সপোন পূৰণ কৰাটো সম্ভৱ নহয়। প্ৰকল্পসমূহ মুকলি কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ইয়াৰ দ্বাৰা ৫ কোটিতকৈও অধিক আদিৱাসী লোক লাভান্বিত হ'ব। শ্ৰীমোদীয়ে লগতে কয় যে, আদিবাসী প্ৰকল্পৰ উন্নয়ন চৰকাৰৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ। ধৰতী আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযান এটা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, এই অভিযানৰ উদ্দেশ্য হৈছে আদিৱাসী গাওঁবোৰৰ সমগ্ৰ বিকাশ সাধন কৰা আৰু অঞ্চলসমূহৰ সামাজিক অৰ্থনৈতিক প্ৰেক্ষাপট সলনি কৰা।

০০০

জাতিৰ পিতা মহাত্মা গান্ধীৰ নাতিনী সুমিত্ৰা গান্ধী কুলকাৰ্ণীয়ে গান্ধীজীৰ আদৰ্শক আগুৱাই নিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভূয়সী প্ৰশংসা কৰিছে। এখন ইংৰাজী বাতৰি কাকতত প্ৰকাশিত PM modi living the Ideals of Mahatma Gandhi শীৰ্ষক প্ৰবন্ধত শ্ৰীমতী কুলকাৰ্ণীয়ে কৈছে যে, প্ৰধানমন্ত্ৰী হোৱাৰ

পাছতে শ্ৰীমোদীয়ে তেওঁৰ স্বাধীনতা দিৱসৰ ভাষণত ৰাষ্ট্ৰীয় স্বচ্ছতাৰ প্ৰয়োজনীয়তা সম্পৰ্কত গুৰুত্ব আৰোপ কৰিছিল। প্ৰধানমন্ত্ৰীগৰাকীয়ে মুকলি কৰা স্বচ্ছ ভাৰত অভিযানে দেশৰ অনাময় ব্যৱস্থাৰ উন্নতি সাধনৰ লগতে দেশজুৰি মহিলাসকলৰ মৰ্যদা আৰু সুৰক্ষাও সুনিশ্চিত কৰা বুলিও শ্ৰীমতী কুলকাৰ্ণীয়ে প্ৰৱন্ধটোত উল্লেখ কৰিছে। জাতিৰ পিতা মহাত্মা গান্ধীয়ে জন আন্দোলনক বহনক্ষম সামাজিক পৰিৱৰ্তনৰ আধাৰৰূপে বিশ্বাস কৰিছিল বুলিও তেওঁ উল্লেখ কৰে।

০০০

কম্বোদিয়াত ভূৱা এজেণ্টৰ জৰিয়তে লাভ কৰা প্ৰৱঞ্চনামূলক চাইবাৰ অপৰাধৰ দ্বাৰা চাকৰিৰ প্ৰস্তাৱত আবদ্ধ হৈ থকা ৬৭ জন ভাৰতীয় নাগৰিকক উদ্ধাৰ কৰা হৈছে। ন'ম প্লেহ্‌ত থকা ভাৰতীয় দূতাবাসে কম্বোদিয়াৰ আৰক্ষীৰ সহযোগত তেওঁলোকক ঘুৰাই পঠিওৱাৰ ব্যৱস্থা কৰে। ইতিমধ্যে প্ৰায় ১৫ গৰাকী উভতি অহাৰ বিপৰীতে ২৪ জন কালি ৰাওনা হৈছে। বাকী থকা ২৮ গৰাকী লোকক কেইদিনমানৰ ভিতৰতে দেশলৈ ঘুৰাই অনা হ'ব। দূতাবাসে জনাইছে যে, তেওঁলোক চাইবাৰ অপৰাধত আৱদ্ধ ভাৰতীয় নাগৰিকসকলক সহায় কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ আৰু অহৰহ ইয়াৰ ওপৰত নিৰীক্ষণ কৰি আছে। দূতাবাসে লগতে ভাৰতীয় নাগৰিকসকলক সন্দেহজনক এজেণ্ট আৰু সামাজিক মাধ্যমৰ বিজ্ঞাপনৰ জৰিয়তে কম্বোদিয়া আৰু দক্ষিণ পূৱ এছিয়াৰ দেশসমূহত চাকৰিৰ সুযোগ গ্ৰহণ কৰাৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিবলৈও পৰামৰ্শ দিয়ে। উল্লেখযোগ্য যে, ২০২৪ চনৰ প্ৰথম ৯ মাহতে প্ৰায় ৭৭০ জনৰ সৈতে ২০২২ চনৰ পৰা এহেজাৰৰো অধিক ভাৰতীয়ক দেশলৈ ঘুৰাই পঠিয়াইছে।

০০০

জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তী উপলক্ষে ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰালয়ে আজি নতুন দিল্লীত ফিট ইণ্ডিয়া স্বচ্ছতা ফ্ৰিডম ৰাণৰ পঞ্চম সংস্কৰণ মুকলি কৰে।

আজিৰে পৰা আৰম্ভ হোৱা ফিট ইণ্ডিয়া স্বচ্ছতা ফ্ৰিডম ৰাণ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত অনুষ্ঠিত হ'ব। এই কাৰ্যসূচী ৩১ অক্টোবৰত চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তীত অনুষ্ঠিত হবলগীয়া একতাৰ দৌৰৰ অংশ হ'ব। এই কাৰ্যসূচী মুকলি কৰি যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া সচিব সুজাতা চতুৰ্বেদীয়ে কয় যে স্বাস্থ্যৱান জীৱনশৈলীৰ বাবে জাতিৰ পিতাই যথেষ্ট গুৰুত্ব প্ৰদান কৰিছিল। তেঁও কয় যে, মহাত্মা গান্ধীৰ নীতি আৰু কৌশলৰ দ্বাৰা প্ৰেৰিত ফ্ৰীডম ৰাণৰ উদ্দেশ্য হৈছে স্বচ্ছতা অভিযানৰ মাধ্যমেৰে স্বাস্থ্যকৰ জীৱনশৈলীৰ বাবে সজাগতা বৃদ্ধি কৰা শ্ৰীমতী চতুৰ্বেদীয়ে বিদ্যালয়ৰ শিক্ষাৰ্থী সকলক স্বচ্ছতা আৰু ফিটনেচৰ বিষয়ে সজাগ কৰাৰ উদ্দেশ্যে মেজৰ ধ্যানচন্দ ৰাষ্ট্ৰীয় ষ্টেডিয়ামৰ পৰা মথুৰা নগৰলৈ এটা প্লগ ৰাণো পতাকা জোকাৰি মুকলি কৰে।

শ্ৰীমতী চতুৰ্বেদীয়ে ৰাষ্ট্ৰীয় ষ্টেডিয়ামত যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয় তথা ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে স্বচ্ছতা অভিযানতো অংশগ্ৰহণ কৰে।

০০০

দিল্লী আৰক্ষীয়ে আজি নতুন দিল্লীত এটা আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ সৰবৰাহকাৰীৰ পৰা ২ হাজাৰ কোটি টকা মূল্যৰ ৫০০ কিলোগ্ৰামৰো অধিক কোকেইন জব্দ কৰে। এই সংক্ৰান্তত বৰ্তমানলৈকে ৪ জন লোকক ৰাষ্ট্ৰীয় ৰাজধানী মেহৰ'লী অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছে। বিশেষ চেলৰ অতিৰিক্ত আয়ুক্ত প্ৰমোদ কুছৱাহে কৈছে যে,

আৰক্ষীয়ে তেওঁলোকৰ পৰা ৫৬২ কিলোগ্ৰাম কোকেইন আৰু ৪০ কিলোগ্ৰাম মাৰিজুৱানা জব্দ কৰে। তেওঁ এই অভিযানক নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে চলোৱা বৰ্তমান সময়ৰ অন্যতম সৰ্ববৃহৎ অভিযান বুলি উল্লেখ কৰে।

০০০

মণিপুৰৰ উখৰুল জিলাৰ দুখন নগা বসতিপূৰ্ণ গাঁৱৰ বাসিন্দাসকলৰ মাজত আজি দিনৰ ভাগত সংঘটিত গুলিয়াগুলিৰ ঘটনাত ৩ জন লোক নিহত হোৱাৰ লগতে আন ৪০ জনৰো অধিক লোক আঘাটপ্ৰাপ্ত হয়। দুয়োখন গাঁৱৰ মাজত থকা সীমা বিবাদৰ ফলতেই এই ঘটনা সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। আহত গাঁৱবাসীসকলক উখৰুল আৰু ইম্ফলৰ চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰি থকা হৈছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উপহাৰ স্বৰূপে লাভ কৰা সামগ্ৰীসমূহৰ ই নিলামৰ সময়সীমা ৩১ অক্টোবৰলৈকে বৃদ্ধি কৰা হৈছে। প্ৰথমে এই সময়সীমা ১৭ চেপ্তেম্বৰৰ পৰা আজিলৈকে আছিল। চৰকাৰে জনসাধাৰণক এই ই নিলামত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে ই-নিলামৰ পৰা সংগ্ৰহীত ধনৰাশি নমামি গংগে পুঁজিত ব্যৱহাৰ কৰা হ'ব। ইচ্ছুক ব্যক্তিয়ে pmmementos.gov.in official ৱেবছাইটত পঞ্জীয়ন কৰি ই-নিলামত অংশগ্ৰহণ কৰিব পাৰিব। বিশেষ চিত্ৰশিল্প, প্ৰসিদ্ধ মন্দিৰৰ প্ৰতিকৃতি, হিন্দু দেৱ-দেৱীৰ প্ৰতিকৃতি, পেৰালিম্পিয়ানসকলৰ জোতা আদিকে ধৰি প্ৰায় ৬০০ সামগ্ৰী ই-নিলামৰ বাবে আগবঢ়োৱা হৈছে।

০০০

ইজৰাইলে ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিও গুটেৰেজৰ দেশখনত প্ৰৱেশৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে। ইজৰাইলৰ বিদেশ মন্ত্ৰী ইজৰাইল কাট্জে আজি এটা বিবৃতিযোগে এইকথা প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয় যে, যোৱা নিশা ইৰাণে ইজৰাইলৰ ওপৰত চলোৱা মিছাইল আক্ৰমণক গৰিহণা দিব নোৱাৰা কোনো মানুহৰে ইজৰাইলত প্ৰৱেশ কৰাৰ অধিকাৰ নাই।

০০০

সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ শ্বাৰজাহত কাইলৈ আই চি চি মহিলাৰ টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ নৱম সংস্কৰণৰ উদ্বোধনী খেলত কাইলৈ বাংলাদেশ-স্কটলেণ্ডৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসাৰে বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। আনহাতে, কাইলৈ দ্বিতীয়খন খেলত পাকিস্তান-শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। ভাৰত পৰহিলৈ নিজৰ প্ৰথমখন খেলত নিউজিলেণ্ডৰ মুখামুখি হ'ব। ৩ ৰ পৰা ২০ অক্টোবৰলৈ চলিবলগীয়া এইবাৰৰ প্ৰতিযোগিতাত মুঠ ১০ খন দেশে প্ৰতিদ্বন্দিতা কৰিব। গ্ৰুপ-এত ভাৰতৰ লগতে অষ্ট্ৰেলিয়া, নিউজিলণ্ড, পাকিস্তান, আৰু শ্ৰীলংকা অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে গ্ৰুপ-বিত বাংলাদেশ, ইংলেণ্ড, স্কটলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজ আছে। হৰমন প্ৰীত কৌৰৰ নেতৃত্বত ভাৰতীয় দলটোৱে এইবাৰ খিতাপ দখলৰ হকে তীব্ৰ প্ৰতিদ্বন্দিতা আগবঢ়োৱাৰ আশা প্ৰকাশ কৰা হৈছে।

০০০

সমাপ্ত